# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 10-09-2025
**Time :** 21-25  Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানী সংযোগ বিষয়ক সমস্ত বিষয়সমূহ পৰীক্ষা কৰাৰ বাবে গঠন কৰা বিশেষ তদন্ত গোট চমুকৈ এছ্ আই টিয়ে আজি সন্ধিয়া ৬ বজাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত প্ৰতিবেদন দাখিল কৰে। তাৰ পাছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে যে, ২০২৫ চনৰ ১৭ ফেব্ৰুৱাৰীত অসম কেবিনেটে এজন পাকিস্তানী নাগৰিক আলি টৌকিৰ শ্বেখ আৰু তেওঁৰ সহযোগীসকলৰ ভাৰত বিৰোধী কাৰ্যকলাপৰ বাবে বিশেষ তদন্ত গোট গঠন কৰিছিল। তদন্তত উন্মোচন হোৱা তথ্য অনুসৰি আমাৰ জাতিৰ সাৰ্বভৌমত্বক ক্ষতিগ্ৰস্ত কৰাৰ বাবে এক বৃহৎ ষড়যন্ত্ৰ পোহৰলৈ আহিছে। তেওঁ আৰু উল্লেখ কৰে যে আলি টৌকিৰ শ্বেখৰ কাৰ্যকলাপৰ সৈতে এগৰাকী বৃটিছ নাগৰিক জড়িত হোৱাৰ কথা স্পষ্ট হৈছে আৰু যিগৰাকীয়ে এগৰাকী  ভাৰতীয় সংসদ সদস্যৰ সৈতে বিবাহ পাশত আৱদ্ধ হৈছে। তদন্তত এজন ভাৰতীয় সংসদ সদস্যৰ পাকিস্তান ভ্ৰমণত কেনেদৰে পাকিস্তান চৰকাৰে সুবিধা কৰি দিছিলে সেই কথাও স্পষ্ট হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰে। অসম চৰকাৰে বিশেষ তদন্ত  গোটৰ প্ৰতিবেদন বিশেষভাৱে পৰীক্ষা কৰি ৰাজ্যিক কেবিনেটৰ সন্মুখত দাখিল কৰাৰ পাছতে কেবিনেটত বিষয়টো সন্দৰ্ভত আলোচনা কৰা হ'ব আৰু তথ্যসমূহ ৰাজহুৱা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ বাৰ্তাটোত প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি বিয়লি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত প্ৰতিবেদন পৰীক্ষা কৰি চোৱাৰ পাছত এইক্ষেত্ৰত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰে।

০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৪ ছেপ্তেম্বৰত  নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ আগমণৰ পূৰ্বে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষ তথা সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্য্যালোচনা বৈঠকত মিলিত হয়। ড০ শৰ্মাই নুমলীগড়ৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰি উদ্বোধন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত প্ৰধানমন্ত্ৰী মোদীয়ে উদ্বোধন কৰিবলগীয়া প্ৰকল্পসমূহৰ বিষয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক সন্মান জনাই নুমলীগড় আৰু মণিপুৰৰ মোৰে সংযোগী ৩৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নুমলীগড় শোধনাগাৰক সংযোগ কৰা ২ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা প্ৰধানমন্ত্ৰী নিম আলিবাট হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ছশ নিম পুলি ৰোপণৰ ব্যৱস্থা কৰা হৈছে। খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ উদ্যোগত আৰম্ভ কৰা এই পদক্ষপেৰ অংশ হিচাপে আজি মুখ্যমন্ত্ৰী ড০ শৰ্মাই এটা নিম পুলি ৰোপণ কৰে।

প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

শ্ৰীমোদীয়ে ১৩ ছেপ্তেম্বৰত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে গুৱাহাটীত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানত ৰাজ্যৰ এহেজাৰৰো অধিক শিল্পীয়ে ভূপেন হাজৰিকাৰ ১৪ টা গীত আৰু কবিতা পৰিৱেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ এটি স্মাৰক মুদ্ৰা আৰু এখন জীৱনী গ্ৰন্থ উন্মোচন কৰা হ'ব।০০০০০

০০০০০

সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আজি ১৬ হাজাৰ ৭৪৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে মানুহে মানুহৰ বাবে গীতটি পৰিৱেশন কৰি অভিলেখ গঢ়িবলৈ সমৰ্থ হয়। নগাঁৰৰ নুৰুল আমিন ষ্টেডিয়ামত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছৰ প্ৰতিনিধি সুনীতা কেৰিয়া উপস্থিত থাকে। অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, নগাঁৰৰ বিধায়ক ৰূপক শৰ্মা, ৰহাৰ বিধায়ক শশীকান্ত দাস, নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড০ হিতেশ ডেকাকে ধৰি কেবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৫ হেজাৰ ৫৫০ টা পদৰ প্ৰথমখন অস্থায়ী যোগ্যতাৰ তালিকা আজি নিশাৰ ভাগত প্ৰকাশ হব বুলি ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে যাৱতীয় প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত নিৰ্বাচিত প্ৰাৰ্থীসকলক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা অনুসৰি ১০ অক্টোবৰত নিযুক্তি প্ৰদান কৰা হব। উল্লেখযোগ্য যে এই প্ৰাৰ্থীৰ তালিকা প্ৰকাশৰ ক্ষেত্ৰত পূৰ্বে উচ্চ ন্যায়ালয়ে স্থগিতাদেশ জাৰি কৰিছিল যদিও কালি নায়ালয়ে এই স্থগিতাদেশ প্ৰত্যাহাৰ কৰে।

০০০০০

গোৱালপাৰা জিলাৰ জলেশ্বৰ ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াই জটিল ৰূপ ধাৰণ কৰিছে। বিশেষকৈ ফেৰীঘাটত গৰাখহনীয়াই যথেষ্ট ক্ষতিসাধন কৰিছে। ইয়াৰ বাবে জলেশ্বৰ আৰক্ষী চকী, আদৰ্শ চিকিৎসালয় আৰু আন আন প্ৰতিষ্ঠানৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। জিলা আয়ুক্ত প্ৰদীপ টিমুঙে আজি অঞ্চলটোত উপস্থিত হৈ যন্ত্ৰচালিত নাৱেৰে পৰিস্থিতিৰ পৰ্যবেক্ষণ কৰে।

০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰতে আয়োজক দেশ সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ইউ এ ইৰ বিৰুদ্ধে প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিছে। ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ভাৰতে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ঘৰুৱা দলটোৱে প্ৰথমে বেট ধৰি ১৩ অভাৰ এটা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫৭ ৰাণ কৰিবলৈ সক্ষম হয়।

ooooo

ঃঃ সমাপ্ত ঃঃ